সহযোগ জিলা ঔষধ ব্যৱসায়ী সন্থা আৰু যোৱহাট প্ৰেছ ক্লাবৰ

যোৱহাট কলেজৰ উদ্যোগত স্বাস্থ্য শিবিৰ সম্পন্ন

যোৱহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৭ আগষ্ট ঃ সাম্প্ৰতিক সময়ৰ অভাৱনীয় জলপ্ৰলয়ত ক্ষতিগ্ৰস্ত হোৱা উত্তৰ-পশ্চিম যোৱহাট তথা টীয়ক বিধানসভা সমষ্টিৰ অধীনৰ কৃষিপ্ৰধান চেঙেলীআটীত যোৱা ১৬ আগষ্টত দুৰ্গত লোকসকলৰ বাবে বিনামূলীয়া চিকিৎসাৰ এটা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। যোৱহাট মহাবিদ্যালয়ৰ (একত্ৰীকৰণ) উদ্যোগত, যোৱহাট জিলা ঔষধ ব্যৱসায়ী সন্থা আৰু যোৱহাট প্ৰেছক্লাবৰ সহযোগত স্থানীয় কলা-কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত বানাক্ৰান্তৰ বাবে আয়োজন কৰা এই স্বাস্থ্য পৰীক্ষা শিবিৰত শিশুৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতী আৰু জ্যেষ্ঠ সকলৰো স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ প্ৰদান কৰা হয়। শিবিৰৰ আৰম্ভণিতে জিলা ঔষধ ব্যৱসায়ী সন্থাৰ সম্পাদক গৌতম বৰুৱা আৰু যোৱহাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক বিৰাজ বৰুৱাই শিবিৰত সেৱা আগবঢ়াবৰ বাবে অহা চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলক আদৰণি জনায়। স্বাস্থ্য পৰীক্ষা শিবিৰৰ শুভাৰম্ভ কৰি যোৱহাট কলেজৰ অধ্যক্ষ ডঁ সৌমিত্ৰ পূজাৰীয়ে কলেজৰ ছাত্ৰ একতা সভা আৰু শিক্ষক গোটে এই শিবিৰৰ বাবে কেনেদৰে সহযোগিতা আগবঢ়াই উৎসাহেৰে আগবাঢ়ি আহিছে, সেই বিষয়ে সংক্ষিপ্ত আভাস দিয়ে। প্ৰসংগক্ৰমে অধ্যক্ষ ডঁ পূজাৰীয়ে কলেজখনৰ ছাত্ৰ একতা সভাৰ সৈতে হোৱা আলোচনা অনুসৰি এইবাৰ কলেজত নৱাগত ছাত্ৰ-ছাত্ৰীৰ আদৰণী সভা অনুষ্ঠিত হ'ব যদিও সেই উপলক্ষে হ'ব লগীয়া সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰি সাংস্কৃতিক কাৰ্যসূচীৰ বাবে নিৰ্ধাৰণ কৰি থোৱা পুঁজি ৰাজ্যৰ বানাক্ৰান্তৰ সাহায্যৰ বাবে আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত ছাত্ৰ একতা সভাই সহমত প্ৰকাশ কৰাৰ কথাও উল্লেখ কৰে। স্বাস্থ্য শিবিৰৰ আৰম্ভণিতে যোৱহাট প্ৰেছক্লাবৰ সভাপতি অনন্ত নাৰায়ণ বৰঠাকুৰেও যোৱহাট কলেজ আৰু জিলা ঔষধ ব্যৱসায়ী সন্থাৰ ইতিবাচক পদক্ষেপক আদৰণি জনায়। স্বাস্থ্য শিবিৰত চৰ্মৰোগৰ বিশেষজ্ঞ ডাঃ প্ৰাঞ্জল জ্যোতি দত্তৰ লগতে মেডিচিন বিভাগৰ ডাঃ পুষ্প কছাৰী আৰু ডাঃ সৰ্বেশ্বৰ আগৰৱালাই সেৱা আগবঢ়ায়। শিবিৰত জিলা ঔষধ ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা কোষাধ্যক্ষ ৰঞ্জিত সোমানী, উপ-সভাপতি ৰঞ্জিত বৰদলৈ, যুটীয়া সম্পাদক অন্বৰীশ বৰুৱা, উপদেষ্টা সুশীল ভট্ট, উপ-সভাপতি হাৰুণ গনি, গোপাল কাৰ্নানী, মনোজ মোদী, চিণ্টু সৰকাৰ, জিতুমণি শৰ্মা, শাংকৰ শৰ্মা, প্ৰাঞ্জল জ্যোতি দত্ত, অমৃত মহতা, প্ৰণৱ দত্ত, সত্যজিৎ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। স্বাস্থ্য শিবিৰত বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰাৰ লগতে ব্লিছিং পাউদাৰ আৰু ফেনাইলো বিনামূলীয়াকৈ আগবঢ়োৱা হয়। যোৱহাট কলেজৰ তৰফৰ পৰা অধ্যক্ষৰ লগতে শিক্ষক ক্ৰমে ডঁ ৰঞ্জিত ভট্টাচাৰ্য, স্বপ্নাজ্যোতি বৰা, ডঁ ৰশ্মি দাস, দৰ্শনা অধ্যাপক, তৰুণ লইং আৰু শুভ্ৰজ্যোতি চন্দই বিভিন্ন দিশত সহযোগিতা আগবঢ়ায়। স্বাস্থ্য শিবিৰৰ বিভিন্ন দিশত কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি অবিনাশ শৰ্মা আৰু সম্পাদক ৰক্তিম বৰাৰ নেতৃত্বত ছাত্ৰ গোটে সেৱা আগবঢ়ায়। উল্লেখযোগ্য যে স্বাস্থ্য শিবিৰৰ সৈতে সংগতি ৰাখি যোৱহাট কলেজে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰয়োজনীয় বিভিন্ন কিতাপ, বহী বিতৰণ কৰাৰ লগতে ঔষধ ব্যৱসায়ী সন্থাৰ তৰফৰ পৰা স্কুল বেগো প্ৰদান কৰা হয়।

